# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-02-2026 **Time :** 1100 Hrs.

0000000000

ৰাজ্যত ৫ লাখ ৭৫ হাজাৰ লোকে এইবেলি প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰিব। ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে ৰাজ্যত ৩১ হাজাৰ ৪৮৬ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। ইয়াৰে ২৭ হাজাৰ ৭১১ টা গ্ৰামাঞ্চলৰ আৰু ৩ হাজাৰ ৭৭৫ টা নগৰ অঞ্চলৰ। আটাইকেইটা ভোটগ্ৰহণ কেন্দ্ৰতে ৱেৱকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। ৩ হাজাৰ ৭১৬ টা কেন্দ্ৰ মহিলাই পৰিচালনা কৰিব। কোনো কেন্দ্ৰত এহেজাৰ দুশতকৈ অধিক ভোটদাতা নাথাকিব। এইবাৰৰ বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ বৃদ্ধিৰ বাবে ভালেমান নতুন ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সেই অনুসৰি ভোটদাতাসকলে ভোটগ্ৰহণ কেন্দ্ৰলৈ মোবাইল ফোন লৈ যাব পাৰিব আৰু প্ৰতিটো কেন্দ্ৰত মোবাইল ফোন ৰখাৰ বিশেষ ব্যৱস্থা থাকিব। ৰাজ্যৰ আসন্ন বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লৈ কালি মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে কয় যে আয়োগে নিৰ্দিষ্ট সময়ত বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। তেওঁ কয় যে অধিকাংশ ৰাজনৈতিক দলে এটা অথবা সৰ্বাধিক দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত কৰাৰ বাবে অনুৰোধ জনাইছে। ৰাজনৈতিক দলসমূহে লগতে ব'হাগ বিহুৰ পূৰ্বে নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ দাবী জনাইছে বুলিও তেওঁ মন্তব্য কৰে।

বাইট

ooooo

দুদিনীয়া কাৰ্যসূচীৰে কংগ্ৰেছ নেত্ৰী তথা অসম প্ৰদেশ কংগ্ৰেছৰ নিৰীক্ষণ কমিটীৰ অধ্যক্ষা প্ৰিয়ংকা গান্ধী কিছু সময়ৰ পূৰ্বে গুৱাহাটীত উপস্থিত হয়। কংগ্ৰেছ নেত্ৰীগৰাকীক বৰঝাৰ বিমান বন্দৰত দলীয় নেতা-কৰ্মীসকলে আদৰণি জনায়। সাংসদ গান্ধীয়ে বৰঝাৰ বিমান বন্দৰৰ পৰা পোনে পোনে কামাখ্যা মন্দিৰলৈ ৰাওনা হয়। ইয়াৰ পাছত তেওঁ ৰাজীৱ ভৱনলৈ আহি দলীয় কাম-কাজত ব্যস্ত হ'ব। নেত্ৰীগৰাকীয়ে আজি কংগ্ৰেছৰ কাৰ্যকৰ্তাসকলৰ সৈতেও বৈঠকত মিলিত হ'ব। কৰ্ণাটকৰ উপ-মুখ্য মন্ত্ৰী তথা জ্যেষ্ঠ কংগ্ৰেছ নেতা ডি কে শিৱকুমাৰেও আজি গুৱাহাটীত উপস্থিত হৈ কামাখ্যা মন্দিৰত সেৱা লয়।

ইপিনে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি অসমত উপস্থিত হ'ব। শ্ৰীশ্বাহে আজি নিশাটো শিলচৰত কটোৱাৰ পাছত কাইলৈ কাছাৰ জিলাৰ দুটা কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ দিনৰ চাৰে ১০ বজাত নাথানপুৰৰ সীমান্ত চকী পৰিদৰ্শন কৰাৰ লগতে সীমামূৰীয়া অঞ্চলটোত গছপুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ দিনৰ ১১ বজাত জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্তৰ নাথানপুৰ গাঁৱত আয়োজিত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। কাইলৈ তেওঁ ত্ৰিপুৰা ভ্ৰমণ কৰি আগৰতলাত থকা ইন্দোৰ প্ৰদৰ্শনী কেন্দ্ৰত আয়োজিত ভাষা সন্মিলন কাৰ্যসূচীতো অংশ ল'ব। ইয়াৰ পাছত পৰহিলৈ তেওঁ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ প্ৰতিষ্ঠা দিৱস কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। তেওঁ লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ

সোণাপুৰ ভ্ৰমণৰ পূৰ্বে কালি নিশা ১২ বজাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰী পীযুষ হাজৰিকাক লগত লৈ কচুতলীৰ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

0000000

পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি সামৰণি পৰিব। প্ৰশ্নোত্তৰ শিতানেৰে আৰম্ভ হোৱা অধিৱেশনৰ কাম আৰম্ভ হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চলিত কাৰ্যকালৰ অন্তিমখন বিধানসভা অধিৱেশনত শাসক আৰু বিৰোধী দলৰ সকলো সদস্যকে সমাগত বিধানসভা নিৰ্বাচনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। তদুপৰি তেওঁ বিভিন্ন বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদনো দাখিল কৰে।

বিধানসভাত আজি লেখানুদান সন্দৰ্ভত আলোচনা আৰু ভোটদান অনুষ্ঠিত হ'ব। শাসক আৰু বিৰোধী উভয় পক্ষই এই আলোচনাত অংশগ্ৰহণ কৰিব। বিত্তমন্ত্ৰী অজন্তা নেওগে লেখানুদান সন্দৰ্ভত প্ৰশ্নসমূহৰ উত্তৰ দিব।

0000000

———মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি শোণিতপুৰ, বিশ্বনাথ আৰু দৰং জিলাৰ মুঠ ৬ হাজাৰ ৫৬১ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে তেজপুৰৰ গড়দৌল কুমাৰগাঁৱত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী অশোক সিংহলেও অংশগ্ৰহণ কৰিব।

আনহাতে এই আঁচনিৰ অধীনত কাইলৈ কাচাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ মুঠ ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে শিলচৰৰ ৰামনগৰৰ আই এছ বি টিত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বৰা, জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, বৰাক উপত্যকা উন্নয়ন আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায় আৰু পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালেও এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

0000000

নাগৰিকত্ব সংশোধনী আইন, ২০১৯-ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত বিচাৰাধীন ২৩৭ টা গোচৰৰ শুনানি আজি অনুষ্ঠিত হ'ব। মুখ্য ন্যায়াধীশ সূৰ্যকান্ত, ন্যায়াধীশ জয়মাল্য বাগ্‌চি আৰু ন্যায়াধীশ বিপুল এম পাঞ্চালীৰ তিনিজনীয়া বিচাৰপীঠে এই শুনানি গ্ৰহণ কৰিব। ২০২৪ চনৰ ১৯ মাৰ্চত তদানীন্তন মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ জে বি পাৰ্ডিৱালা আৰু ন্যায়াধীশ মনোজ মিশ্ৰৰ তিনিজনীয়া বিচাৰপীঠত হোৱা শুনানিৰ পাছত এই গোচৰসমূহৰ শুনানি অনুষ্ঠিত হোৱা নাছিল। অসম সন্মিলিত মহাসংঘ, সদৌ অসম ছাত্ৰ সন্থা, উত্তৰ-পূৰ্বাঞ্চল ছাত্ৰ সন্থাকে ধৰি কেইবাটাও সংগঠনে নাগৰিকত্ব সংশোধনী আইনৰ প্ৰত্যাহ্বান জনাইছিল। সংগঠনকেইটাৰ নেতৃবৰ্গৰ ইতিমধ্যে এই শুনানিৰ বাবে নতুন দিল্লীত উপস্থিত হৈছে।

0000000

**সমাপ্ত**